# "কৈৱৰ্তসকলৰ বিবাহ পদ্ধতি"

কাকতৰ নাম:- প্ৰকল্প

কাকত নং:- DSE-3(H)

**তত্ত্বাৱধায়ক**


ড° মৃণালী কাগয়ুং

অধ্যাপক, অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ


**প্ৰস্তুতকৰ্তা**


নাম:- শ্ৰী ৰাজেশ দাস

শ্ৰেণী:- স্নাতক ষষ্ঠ ষাণ্মাসিক

ৰোল নং: 30810048

পঞ্জীয়ন নং:- S1921727


## অসমীয়া বিভাগ

## নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

## ২০২২ বৰ্ষ

# অসমীয়া বিভাগ

## নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
## স্থাপিত ঃ ১৯৫৯

### <u>প্ৰমাণ পত্ৰ</u>

শ্ৰী ৰাজেশ দাস স্নাতক কলা শাখাৰ ষষ্ঠ যান্মাসিকৰ (ৰোল নং **30810048**) ছাত্ৰ। তেওঁ মোৰ তত্বাৱধানত DSE-3(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **"কৈবৰ্ত সকলৰ বিবাহ পদ্ধতি"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্বাৱধায়ক

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ।

# অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰী ৰাজেশ দাস স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০০৪৮) ৰ ছাত্ৰ।

তেওঁ ড° মৃণালী কাগয়ুঙৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"কৈৱৰ্তসকলৰ বিবাহ পদ্ধতি"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী কাগয়ুং

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ,

নন্দনাথ শইকীয়া মহাবিদ্যালয়,

তিতাবৰ।

Department of Assamese
Date ..............
Nanda Nath Saikia College, Titabar

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

# কৃতজ্ঞতা

প্ৰতিবেদনখনি প্ৰস্তুত কৰাত বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা তত্ত্বাৱধায়িকা ড° মৃণালী কাগ্যুং বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ। আনহাতে প্ৰতিবেদনখনি প্ৰস্তুত কৰিবলৈ উপযুক্ত তথ্য অৰ্থাৎ কৈৱৰ্তসমাজৰ বিবাহ অনুষ্ঠানত পালন কৰা বিভিন্ন লোকাচাৰ সমূহৰ বিষয়ে দাঙি ধৰা তথ্যৰ মোৰ আইতা, বৰমা, মা এওঁলোকৰ ওচৰতো কৃতজ্ঞ হৈ ৰ'লো।

শ্ৰী ৰাজেশ দাস।

# সূচীপত্ৰ

০.০০ প্ৰস্তাৱনা

০.০১ বিষয়ৰ পৰিচয়

০.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

০.০৩ অধ্যয়নৰ পৰিসৰ

০.০৪ প্ৰতিবেদন প্ৰস্তুতকৰণৰ পদ্ধতি

০.০৫ তথ্য আহৰণৰ প্ৰাথমিক উৎস

০.০৬ তথ্য আহৰণৰ গৌণ উৎস

০.০৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

**প্ৰথম অধ্যায়**

১.০০ কৈৱৰ্তসকলৰ চমু পৰিচয়

**দ্বিতীয় অধ্যায়**

২.০০ মূল বিষয়ৰ আলোচনা

২.১ তোলনী বিয়া

২.১.১ দুৱলি পতা লোকাচাৰ

২.১.২ চাৰিদিনীয়া গা ধোওৱা

২.১.৩ মূৰত তেল দিয়া

২.১.৪ বিয়া

**তৃতীয় অধ্যায়**

৩.০০ বৰ বিয়া

৩.১ তামোল পাণ পেলোৱা বা আঙুঠি পিন্ধোৱা পৰ্ব

৩.২ জোৰোণ দিয়া বা টেকেলি দিয়া পৰ্ব

৩.৩ পানী তোলা পৰ্ব

৩.৪ গাঁথিয়ন খুন্দা

৩.৫ দৈয়ন দিয়া

৩.৬ ন পুৰুষৰ শ্ৰাদ্ধ

৩.৭ পানী তোলা পৰ্ব

৩.৮ দৰা আদৰা পৰ্ব

৩.৯ হোম দিয়া পৰ্ব

৩.১০ কইনা বিদায় দিয়া পৰ্ব

৩.১১ দৰা-কইনা আদৰা পৰ্ব

৩.১২ আঙুঠি বিছৰা পৰ্ব

৩.১৩ খোবা-খুবুনী

৩.১৪ আঠমঙলা

৩.১৫ দুনাই খাবলৈ অহা পৰ্ব

চতুৰ্থ অধ্যায়

৪.০০ অধ্যয়নৰ শেষত প্ৰাপ্ত সিদ্ধান্ত

৫.০০ উপসংহাৰ

সহায়ক গ্ৰন্থপঞ্জী

তথ্যদাতাৰ তালিকা

আলোকচিত্ৰ

**০.০০ প্ৰস্তাৱনা:-**

বিবাহ হৈছে অসমীয়া সমাজৰ এক প্ৰাণময় উৎসৱ। এককথাত বিয়া অসমীয়া মানুহৰ হাঁহিৰ ৰহঘৰা। এই বিবাহ অনুষ্ঠানৰ জৰিয়তে কেৱল যে দুজন মানুহৰে মিলন হয় এনে নহয়। বিয়াৰ যোগেদি দুখন ঘৰ, দুখন সমাজৰো পাৰস্পৰিক বুজাবুজি হোৱা দেখা যায়। সেয়ে বিয়া বুলিলেই অসমীয়া সমাজত আনন্দৰ জোঁৱাৰ উঠে। এই বিবাহ উৎসৱ পালনৰ লগত বহুতো নীতি-নিয়ম তথা লোকাচাৰ পৰম্পৰাগতভাৱে অসমীয়া সমাজত প্ৰচলিত হৈ আছে। এই লোকাচাৰসমূহেই এখন সমাজ তথা সংস্কৃতিক সমৃদ্ধ কৰে বুলি ক'ব পাৰি। এইসমূহে এখন সমাজক,এটা জাতিক স্বকীয়তা প্ৰদান কৰে। গতিকে এইসমূহ অসমীয়া সংস্কৃতিৰ একো- একোটা অপৰিহাৰ্য্য অংগ।

**০.০১ বিষয়ৰ পৰিচয়:-**

ভাৰতবৰ্ষৰ উত্তৰ-পূৱ প্ৰান্তত অৱস্থিত অসম প্ৰদেশ নানা জাতি-জনগোষ্ঠী, ভাষা-ভাষীৰ মিলনভূমি। ইয়াতে শ শ বছৰৰ সাংস্কৃতিক ঐতিহ্যৰে গঢ় লৈ উঠিছে বৃহত্তৰ অসমীয়া জাতি। বাৰেৰহণীয়া সংস্কৃতিৰ মিলনভূমি এই অসম নামৰ ভূখণ্ডত বিভিন্ন জাতি-জনগোষ্ঠীয়ে নিজস্ব সাংস্কৃতিক জীৱনচৰ্য্যা অটুত ৰাখি বৰ্তি আছে। অসমত বাস কৰা প্ৰতিটো জনগোষ্ঠীয়ে নিজা সামাজিক আচাৰ-আচৰণ পালন কৰা দেখা যায়। এই আচাৰ-আচৰণ, পৰম্পৰা, ধৰ্মীয় লোকবিশ্বাস আদিৰ মাজেৰেই জাতি এটাৰ স্বকীয়তা ফুটি উঠা দেখা যায়। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত প্ৰচলিত বিবিধ আচাৰ-আচৰণ,

লোক-পৰম্পৰা আদিৰ বিষয়ে খৰচি মাৰি জনাৰ সৰ্বোত্তম উপায় হৈছে ক্ষেত্ৰ অধ্যয়ন। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে অধ্যয়নকাৰীজনে অধ্যয়ন কৰিব বিচৰা নিৰ্দিষ্ট সম্প্ৰদায়টোৰ কাষত উপস্থিত হৈ তেওঁলোকৰ সামাজিক জীৱনচৰ্য্যাৰ সৈতে পৰিচিত হ'ব পৰা যায়। তেওঁ অধ্যয়ন কৰিব বিচৰা নিৰ্দিষ্ট বিষয়টোৰ সন্দৰ্ভত সেই সম্প্ৰদায়টোৰ লোকসকলৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিভিন্ন তথ্য আহৰণ কৰিব পৰা যায়। তেনে এক উদ্দেশ্য আগত ৰাখিয়েই নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাষিকৰ DSE-2(H) অৰ্থাৎ প্ৰকল্প শীৰ্ষক কাকতখনৰ বাবে "কৈৱৰ্তসকলৰ বিবাহ পদ্ধতি" শীৰ্ষক বিষয়টোৰ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে। যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ মহকুমাস্থিত শিলিখাবাৰী অঞ্চলৰ দানীগাঁৱত এই ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে।

**০.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য:**

মানৱ জীৱনৰ অনুষংগ জন্ম - বিবাহ - মৃত্যু সম্পৰ্কীয় ভালেমান লোকাচাৰেৰে অসমীয়া লোকসমাজ সমৃদ্ধ হৈ আছে। প্ৰতিটো জনগোষ্ঠীৰে এই লোকাচাৰসমূহ পৃথক পৃথক। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমত বাস কৰা কৈৱৰ্তসকলৰো জন্ম - বিবাহ - মৃত্যু সম্পৰ্কীয় ভালেমান পৰম্পৰাগত লোকাচাৰ বিদ্যমান। ইয়াৰ ভিতৰত কৈৱৰ্তসকলৰ বিবাহ পদ্ধতি সম্পৰ্কে অধ্যয়ন কৰাৰ অন্তৰালত কেইটামান বিশেষ উদ্দেশ্য নিহিত হৈ আছে। এই উদ্দেশ্যসমূহ এনেধৰণৰ -

ক) কৈৱৰ্তসকলৰ এটি চমু পৰিচয় তথা জীৱন নিৰ্বাহ পদ্ধতি সম্পৰ্কে এটি থুলমূল আভাস প্ৰদান কৰা।

খ) কৈৱৰ্তসকলে বিবাহ কাৰ্য্য সম্পাদন কৰোঁতে পালন কৰা লোকাচাৰ সম্পৰ্কে আলোকপাত কৰা।

গ) তেওঁলোকে বিবাহ কাৰ্য্য কেইদিনীয়াকৈ পালন কৰে,সেই সম্পৰ্কে অৱগত হোৱা এই প্ৰতিবেদনটিৰ মূল লক্ষ্য আৰু উদ্দেশ্য।

ঘ) কৈৱৰ্তসকলে পালন কৰা নীতি-নিয়মৰ লগত জড়িত লোকবিশ্বাসসমূহৰ বিষয়ে অধ্যয়ন কৰা।

**০.০৩ অধ্যয়নৰ পৰিসৰ:-**

বিষয়টোৰ অধ্যয়নৰ পৰিসৰত বিষয়ৰ সীমাবদ্ধতা আৰু ভৌগোলিক সীমাবদ্ধতাক সামৰি লোৱা হৈছে। ইয়াত কেৱল শিলিখাবাৰী দানীগাঁৱত বাস কৰা কৈৱৰ্তসকলে বিবাহ অনুষ্ঠানত পালন কৰা লোকাচাৰসমূহক প্ৰধান হিছাপে লৈ প্ৰতিবেদনটি প্ৰস্তুত কৰা হৈছে।

**০.০৪ প্ৰতিবেদন প্ৰস্তুতকৰণৰ পদ্ধতি:-**

প্ৰতিবেদন প্ৰস্তুত কৰোঁতে প্ৰধানকৈ বিষয় বিশ্লেষণ পদ্ধতি আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

০.০৫ তথ্য আহৰণৰ প্ৰাথমিক উৎস:-

প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ দনীগাঁৱৰ কৈৱৰ্তসকলৰ মহিলাৰ পৰা বিষয়টোৰ সম্পৰ্কে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে।

০.০৬ তথ্য আহৰণৰ গৌন উৎস:-

প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ কৈৱৰ্ত সকলৰ পৰিচয় সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ পাতিৰ সহায় লোৱা হৈছে। লগতে প্ৰয়োজন সাপেক্ষে ইন্টাৰনেটৰ সহায় লোৱা হৈছে।

০.০৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা:-

অসমৰ প্ৰাচীন জাতি কৈৱৰ্তসকলৰ বিষয়ে যে পূৰ্বতে কোনেও অধ্যয়ন কৰা নাই, এনে নহয়। কিন্তু কৈৱৰ্ত জাতি সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ - পাতি পোৱা গৈছে যদিও প্ৰতিবেদন এখন প্ৰস্তুত কৰিবলৈ সেইখিনিয়ে পৰ্যাপ্ত নহয়।প্ৰত্যেক বিষয়ৰে পুংখানুপুংখ তথ্য আৰু বিশ্লেষণেহে বিষয় বস্তুক প্ৰকৃত মাত্ৰা প্ৰদান কৰে। বৰ্তমান পৰিৱেশ পৰিস্থিতি তথা সময় আৰু তথ্য পাতিৰ অভাৱত এই প্ৰতিবেদনত অন্তৰ্ভূক্ত কৰিবলগীয়া পূৰ্বকৃত অধ্যয়ন বিষয়টো বাদ পৰি গৈছে।

# প্ৰথম অধ্যায়

## ১.০০ কৈৱৰ্ত সকলৰ চমু পৰিচয় :-

বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমৰ এটা অন্যতম সম্প্ৰদায় হৈছে কৈৱৰ্তসকল । কৈৱৰ্তসকল অসমৰ এটা প্ৰাচীন জাতি । অনুসূচিত জাতিৰ অন্তৰ্গত কৈৱৰ্তসকল হিন্দু ধৰ্মাৱলম্বী ।কৈৱৰ্তসকল হৈছে পানীক অৱলম্বন কৰি জীয়াই থকা লোক।কৈৱৰ্ত শব্দৰ অৰ্থ বিশ্লেষণ কৰি চালে দেখা যায় সংস্কৃত 'ক'শব্দই পানী আৰু 'ৱৰ্ত' বা 'বৰ্ত' শব্দই বৰ্তি থকা বা নিৰ্ভৰশীল হৈ জীৱন ধাৰণ কৰাৰ কথা সূচায়।অৰ্থাৎ পানী থকা ঠাই বা নদী জলাশয়ৰ পাৰত বাস কৰাৰ কথা সূচায়।কৈৱৰ্তসকল সংমিশ্ৰিত জাতি।বহু পণ্ডিতৰ অভিমত অনুসৰি আৰ্য আৰু দ্ৰাবিড় আদি অনাৰ্য্য জাতিৰ সংমিশ্ৰনত কৈৱৰ্ত জাতিৰ উৎপত্তি হৈছে।পানী আৰু নাৱৰ লগত কৈৱৰ্তসকলৰ ওতঃপ্ৰোত সম্পৰ্ক।কিয়নো এওঁলোক প্ৰধানকৈ মৎস্যজীৱী।মাছ ধৰা এওঁলোকৰ প্ৰধান জীৱিকা।অৱশ্যে কৈৱৰ্তসকল যে কেৱল মৎস্যজীৱী এনে নহয়।তেওঁলোকৰ প্ৰধান জীৱিকা মাছ ধৰা হ'লেও তাৰ আনুষংগিকভাৱে কৃষিকৰ্ম কৰাও দেখা যায়।কৈৱৰ্তসকলৰ দুটা ভাগ দেখা যায়—

১।জালোৱা কৈৱৰ্ত

২।হালোৱা কৈৱৰ্ত

যিসকলে মাছ ধৰি জীৱন নিৰ্বাহ কৰে সেইসকলক জালোৱা কৈৱৰ্ত আৰু খেতি-বাতি কৰি খোৱাসকলক হালোৱা কৈৱৰ্ত বোলা হয়। কৈৱৰ্তসকলৰ বসতি উজনিৰ পৰা নামনিলৈ অসমৰ প্ৰায় প্ৰতিখন জিলাতে সিঁচৰতি হৈ আছে। এওঁলোকে প্ৰধানত নদীয়াল,কৈৱৰ্ত,হাজৰিকা,দাস,পাঠক আদি উপাধি লিখা দেখা যায়।অসমৰ এক প্ৰাচীন সম্প্ৰদায় কৈৱৰ্তসকলৰ জীৱন ধাৰণ পদ্ধতি বৰ উন্নত মানৰ নহয়। দেশে স্বাধীনতা পোৱাৰ ইমান বছৰৰ পিছতো এই লোকসকল শৈক্ষিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সকলো দিশতে অত্যন্ত পিছপৰা। এই লোকসকল অতিশয় ধৰ্মভীৰু। স্থানভেদে তেওঁলোকে বিভিন্ন দেৱ দেৱতাক বিশ্বাস কৰা দেখা যায়। বিভিন্ন ধৰণৰ লোকবিশ্বাস,সাংস্কৃতিক ধ্যান-ধাৰণা এওঁলোকে বহন কৰি আহিছে।তেওঁলোকৰ সমাজত গাহৰি,কুকুৰা ভক্ষণ কৰাৰ নিয়ম নাই। এই লোকসকলৰ মাজত বামুনীয়া,একশৰণীয়া,দিহিঙ্গীয়া আদি নামেৰে ধৰ্মীয়ভাৱে বিভাজিত হোৱা দেখা যায়। অসমত বাস কৰা কোচ,কলিতা,নাথ,যোগী কছাৰী,চুতীয়া আদি বিভিন্ন সম্প্ৰদায়ৰ দৰেই কৈৱৰ্তসকলো অসমীয়া ভাষা-সংস্কৃতিৰ ধাৰক আৰু বাহক। অসমীয়া সমাজ জীৱন বুলিলে ঘাইকৈ যিসমূহ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, ধৰ্মীয় পৰম্পৰা, লোকবিশ্বাস, সাজ-পাৰ, খাদ্য-সম্ভাৰ আদি প্ৰচলিত সেইসমূহ কৈৱৰ্তসকলৰ মাজতো প্ৰচলিত। অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিলৈ মৎস্যজীৱী কৈৱৰ্তসকলেও ভিন্ন সময়ত ভিন্ন অৱদান আগবঢ়াই আহিছে।

# দ্বিতীয় অধ্যায়

## ২.০০ মুল বিষয়ৰ আলোচনা:-

মানৱ জীৱনৰ তিনিটা প্ৰধান অনুষংগ জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰ আৰু লোকবিশ্বাসেৰে অসমীয়া সমাজ সমৃদ্ধ হৈ আছে। কেওতাৰে ভিতৰত বিবাহ অনুষ্ঠানেই আটাইতকৈ আনন্দমুখৰ। বিয়া অসমীয়া সমাজৰ এক প্ৰাণময় উৎসৱ। ৰঙ-তামাছা, হাঁহি- আনন্দৰ ৰহঘৰা। গাঁৱৰ কোনোবা এঘৰত বিয়া বুলিলেই গঞা ৰাইজৰ উলাহৰ অন্ত নাই। ওচৰ- চুবুৰীয়া উপযাচি গৈ ইটো-সিটো কাম যেনে- ধান- চাউল বহাই-শুকুৱাই ৰভা পৰলা দি বিভিন্ন কামত সহায় কৰি দিয়ে। এইসমূহৰ লগতে আনুষংগিক আন কিছুমান নীতি-নিয়মৰ মাজেৰে এখন বিয়া অনুষ্ঠিত কৰা হয়। পৃথিৱীৰ সকলো সমাজতে বিবাহৰ লগত জড়িত কেতবোৰ নীতি-নিয়ম, আচাৰ- অনুষ্ঠান পালন কৰা হয়। ধৰ্ম -সম্প্ৰদায় তথা অঞ্চলভেদে কিছুমান নীতি-নিয়মৰ পাৰ্থক্য থাকিলেও কিছুমান নিয়ম সকলো সমাজতে প্ৰযোজ্য। সকলো সমাজতে একে পৰিয়ালৰ লোকৰ মাজত বিবাহ নিষিদ্ধ। কৈৱৰ্তসকলৰ মাজতো এই নিয়ম প্ৰযোজ্য হোৱা দেখা যায়। অসমীয়া সমাজৰ বিবাহৰ ক্ষেত্ৰত যিসমূহ আচাৰ- অনুষ্ঠান পালন কৰা হয়, সেইবোৰ কৈৱৰ্ত সমাজৰ মাজতো প্ৰচলিত। অৱশ্যে দুই-এক লোকাচাৰৰ মাজতহে বিভিন্নতা দেখা পোৱা যায়।কৈৱৰ্তসকলে বিবাহ ঘাইকৈ এদিনীয়া,দুনিনীয়া বা তিনিদিনীয়াকৈ পালন

কৰে। তেওঁলোকে বিবাহ অনুষ্ঠানত পালন কৰা লোকাচাৰসমূহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল –

**২.১ তোলনী বিয়া:-**

কৈৱৰ্ত সমাজত ছোৱালী এজনী পুষ্পিতা হোৱাৰ পাছত ঘৰখনত এক গোপন খদমদম আৰম্ভ হয় । সকলো ব্যস্ত হয় যাৱতীয় আচাৰ- অনুষ্ঠানসমূহ নিয়াৰিকৈ বিধিসন্মতভাৱে পালন কৰিবৰ বাবে। লৰালৰিকৈ ঘড়ীত কেই বাজিছে সময়টো চাই জানি থৈ ওচৰৰে আয়তীসকলক ততাতৈয়াকৈ মাতি পঠায়। পুষ্পিতা হোৱা ছোৱালীজনীয়ে চন্দ্ৰ - সূৰ্য্য, গৰু-গাই, আৰু পুৰুষৰ মুখ দেখিব নাপায় বুলি লোকবিশ্বাস আছে, সেয়েহে আচুতীয়া কোঠা এটাত ছোৱালীজনীক সুমুৱাই থোৱা হয়। কোঠাটোত মাটিত ধানখেৰ পাৰি বিচনা কৰি দিয়া হয় আৰু কইনাজনীক মাটিতে বিচনা কৰি শুবলৈ দিয়া হয়। ঘৰৰে বা ওচৰৰে বয়োজ্যেষ্ঠ লোক এজনে লগত সৰু ল'ৰা এটাক লৈ গণকৰ ওচৰত তৎক্ষণাত মঙ্গল চোৱাবলৈ যায়। গণকে কেইদিনত বিয়া তুলিব লাগিব, কইনাই কিমান দিন ব্ৰতত থাকিব লাগিব, কি কি দান- দক্ষিণা দিব লাগিব, কইনাজনীয়ে কি যুগ লাভ কৰিছে এই সম্পৰ্কে দিহা দিয়ে। কইনাজনীয়ে লাভ কৰা যুগ অনুসৰি দান- দক্ষিণা তথা ব্ৰতত থকাৰ দিন নিৰ্ধাৰণ কৰি দিয়া হয়। সুভগা, দুভগা, বেশ্যা, কান্তা, পতিহিতা, পতিহীনা আদি যুগৰ ভিতৰত পতিহীনা যুগ লাভ কৰিলে নীতি-নিয়ম বেছিকৈ পালন কৰিবলগা হয়।এই যুগ লাভ কৰিলে ৪৫ দিন ধৰি কইনাই ব্ৰতত

থাকিব লাগে। বিভিন্ন যুগ অনুসৰি দান-দক্ষিণাও বেলেগ বেলেগ হয়। দান- দক্ষিণাৰ ভিতৰত ঘাইকৈ বস্ত্র, ভোজনী, গুৰ- চেনী, ৰাজহাঁহ, কাছ, ছাগলী আদি পুৰোহিতক দান কৰিব লাগে।

### ২.১.১ দুৰলি পতা লোকাচাৰ:-

গণকৰ ওচৰত মঙ্গল চোৱাই অহাৰ পিছত ওচৰৰ আয়তীসকল আহি ছোৱালীজনীক মঙ্গলসূচক উৰুলি ধ্বনিৰে বগা চাদৰ- মেখেলা এযোৰ পিন্ধায়।আয়তীসকলে ডাঙৰ কাঁহৰ কাঁহী এখনত অযুগ্ম সংখ্যাৰে এক আশি কল, চাউল, ধূপ-চাকি, তামোল-পাণ, আৰ্চি-ফণি, শিলগুটি আদিৰে দুৰলী পাতে। লোটা এটাত পানী ভৰাই আমপাতেৰে সৈতে কইনা শুবলৈ দিহা কৰা ঠাইডোখৰতে মুৰৰ শিতানৰ ফালে পূৰমুৱাকৈ ৰাখে, ৰুমাল এখনত তামোল-পাণ এযোৰ আৰু চুৰি কটাৰী এখন কইনাক লৈ থাকিবলৈ দিয়া হয়।আৰু কইনাজনী বাহিৰলৈ গ'লে এই ৰুমালখন লগত লৈ যাবলৈ দিয়া হয়। চাৰিদিনলৈকে কইনাক কেৱল ফল-মূল, বুট-মগু আদি লঘু আহাৰহে খাবলৈ দিয়া হয়। ছোৱালীজনীক যি ঠাইত ৰখা হয়, সেই ঠাই ডাঙৰ চাৰি এখনেৰে আঁৰ কৰি ৰখা হয়। যাতে পুৰুষে ছোৱালীজনীক দেখা নাপায়। সেইদিনাই ঘৰৰ প্ৰতিখন দুৱাৰতে আয়তীসকলে আমডালি গাঁঠে।

**২.১.২ চাৰিদিনীয়া গা ধোঁৱা:-**

চাৰিদিনৰ দিনা পুৱা গোপিনীসকল আহি ছোৱালীজনীক মাহ-হালধীৰে গা ধুওৱা হয়। গা ধুওৱা ঠাইত পূবমুৱাকৈ কলপাতৰ মাজৰ অংশ অৰ্থাৎ কলৰ ঠাৰি তিনিডালেৰে বেই সজা হয়। এই কলৰ ঠাৰি তিনিডাল কইনাৰ মূৰত তেল দিয়া দিনালৈকে ভালকৈ ৰাখিব লাগে। সেইকেইডাল যাতে গৰু-ছাগলীয়ে খাই নষ্ট নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে । নহ'লে অমংগল হয় বুলি লোকবিশ্বাস আছে। গা ধুওৱাৰ আগ মূহুৰ্তলৈকে যিহেতু ছোৱালীজনীক অশুচি জ্ঞান কৰা হয়, গতিকে গোপিনীসকলে ছোৱালীজনীক স্পৰ্শ নকৰে। সেয়েহে ওচৰৰে গাভৰু ছোৱালী এজনীয়ে কইনাৰ মাক হৈ কইনাক ভিতৰৰ পৰা উলিয়াই আনি গা ধুৱায়। এইকেইদিন কইনাজনীক মূৰত তেল-ফণি লগাবলৈ দিয়া নহয়। কইনাৰ মূৰত তেল বাকি দি আয়তীসকলে গায়-

চুলি মেলা চুঁচি পেলা

চুলিত লাগিল গাঁঠি।

কি চাই আছা মাহী-পেহী

চুলিৰ ভাঙা গাঠি ।।

কইনাক গা ধুওৱা পৰ্ব শেষ হ'লে নতুন মুগা ৰিহা-মেখেলা পিন্ধোৱা হয়। কইনাজনীক চেলেং চাদৰ এখন মূৰে-গায়ে মেৰিয়াই ল'বলৈ দি গা ধুওৱা ঠাইডোখৰৰ এহাতমান আঁতৰত কইনাক বহিবলৈ দি চাকি সাৰ, আমসাৰ দিয়া হয়।

তাৰ পাছত কইনাৰ মাক আৰু দুগৰাকীমান আয়তীয়ে মিলি দুৱলিখন আৰু লোটাটো কইনাৰ সন্মুখত তিনিবাৰকৈ ঘূৰায়। দুৱলিৰ চাউল কইনাৰ গালৈ ছটিয়াই, জ্বলি থকা ছাকিগছৰ সেক দিয়ে আৰু লোটাটোৰ পানীত আমপাত কেইখিলা জুবুৰিয়াই কইনাৰ গাত পানী ছটিয়ায়। এই পৰ্বক 'আগ দিয়া' বুলি কোৱা হয়। তাৰ পাছত কইনাক আয়তীসকলৰ মাজত বহাই উৰুলি ধ্বনি আৰু বিয়া নামেৰে কইনাক মূৰ আচুৰি, তেল-সেন্দুৰ দি কইনাক সমাজত আঠু ল'বলৈ দিয়ে। আয়তীসকলে কইনাক আৰ্শীবাদ দি চাহ- তামোল খাই ঘৰাঘৰি যায়।

চাৰিদিনৰ দিনা আবেলিৰ পৰা কইনাক দিনে এসাঁজকৈ ভাত মাটিৰ চৰুত নিজে ৰান্ধি খাবলৈ দিয়া হয়। কিন্তু তেল-মছলা আদি ব্যৱহাৰ কৰিবলৈ নিদি সম্পূৰ্ণ সিদ্ধকৈ খাবলৈ দিয়া হয়। ছোৱালীজনী পুষ্পিতা হোৱা দিনৰ পৰা ঘৰৰ ইটো-সিটো বস্তু চুবলৈ দিয়া নহয়। লগতে ছোৱালীজনীক আন দিনৰ দৰে ঘৰৰ ভিতৰ-বাহিৰ, ওলাই -সোমাই ফুৰিবলৈ দিয়া নহয়। বাহিৰলৈ ওলাই যাব লগা হ'লে হাতত চুৰি-কটাৰী আৰু লগত মাক বা আন কোনোবাই ছোৱালীজনী ওলাই যোৱা বাটটোত পানী ছটিয়ায় যায়।

**২.১.৩ মূৰত তেল দিয়া:-**

বিয়া সাধাৰণতে সাত, ন, তেৰ বা পোন্ধৰ দিনত তুলিবলৈ দিয়া হয়। গতিকে গৃহস্থৰ সুবিধা অনুসৰি যিদিনা তুলিব তাৰ আগদিনা ৰাতি কইনাক মূৰত তেল দি গা ধুওৱা হয় ।এই নিয়মক 'মূৰত তেল দিয়া' নামেৰে জনা যায়। সেইদিনা ৰাতি পুনৰ

গোপিনীসকল আহি ছোৱালীজনীক গা ধুৱাই ৰিহা- মেখেলা পিন্ধায়। গোপিনীয়ে প্ৰথমে কইনাই যি চৰুত ভাত ৰান্ধি খাইছিল সেইটো ওচৰৰ পুষ্পিতা নোহোৱা আন এজনী ছোৱালীৰ নাম ধৰি ভাঙিবলৈ দিয়ে। আৰু যিজনী ছোৱালীৰ নামত চৰুটো ভাঙে, সেই ছোৱালীজনীয়ে খুউব সোনকালেই কন্যাকাল লাভ কৰিব বুলি বিশ্বাস কৰা হয়। তাৰ পাছত ছোৱালীজনীক চাৰিদিনৰ দৰে একে নিয়মেৰে গা-পা ধুৱাই ৰভাৰ তলত গোপিনীসকলৰ মাজত বহোৱা হয়। পাঁচজনী আয়তীয়ে কইনাৰ মূৰৰ ওপৰত আঙুলি ৰাখি তেল দিয়া হয় আৰু সেই তেল গোপিনীসকলে মূৰত লয়। গোপিনীসকলে মাহী-পেহী কোন ক'ত আছে মৰ্টন বিচাৰি বিয়ানাম গায়-

পুলিচৰে দৰজন, মিলিটেৰী পলটন

কইনাৰ মাহীয়েক আমাক লাগে মৰ্টন।

পাণ খালে পুৰেনে, চূণ খালে ডাকেনে,

আমি মৰ্টন খুজিছোঁ, কাণেৰে নুশুনেনে?

ইয়াৰ পিছত কইনাৰ আত্মীয়-স্বজনসকলে বঁটা এখনত তামোল-পাণ, মাননি, মৰ্টনৰ পেকেট আদি লৈ সেৱা কৰে। তাৰ পাছত চাহ-তামোল খাই সকলো ঘৰিঘৰি হয়।

### ২.১.৪ বিয়া:-

পিছদিনা ৰাতিপুৱা কইনাক সোনকালে গা ধুবলৈ দিয়া হয়। গাঁৱৰে ডেকাবোৰ আহি কলগছেৰে কইনাক নোৱাবলৈ এখন বেই সাজে। গোপিনীসকল যথাসময়ত উপস্থিত হৈ ওচৰৰে নদী বা পুখুৰীত পানী তুলিবলৈ যায় আৰু গোটেই বাটটো বিয়ানাম গাই যায়-

ৰাম কৃষ্ণ অলনী দলনী,

ৰাম কৃষ্ণ পকা চপৰাণি,

হৰি মোৰ ঐ পানী তুলিবলৈ যাওঁ।

ৰাম কৃষ্ণ পানী তুলিবলৈ

ৰাম কৃষ্ণ দৈৱকী ওলালে

হৰি মোৰ ঐ

কাষতে কলচী লৈ

কইনাৰ মাক হোৱা গাভৰুজনীয়ে কাষৰ লোটাটোত ভৰ্ত্তিকৈ পানী ভৰাই আৰু মুখতো এচলু পানী লৈ আহে।গোটেই বাটছোৱা কইনাৰ মাকে কাৰোৰে লগত একো কথা পাতিবলৈ নাপায়। বিয়াঘৰত আহি পোৱাৰ পাছতহে মুখৰ পানীচলু পেলাবলৈ দিয়া হয়। তাৰপাছত পুৱাতে গাঁৱৰ ডেকাবোৰে আহি সাজি যোৱা বেইৰ তললৈ কইনাক

কইনাৰ মাকে উলিয়াই আনে।বেইৰ তলত গাঁৱৰ গোপিনী, আত্মীয়-স্বজন সকলোৱে কইনাজনীক বিভিন্ন উপহাৰ প্ৰদান কৰি বেইৰ মাজত তিনিবাৰকৈ ঘূৰায়।কইনা নোওৱা এই প্ৰথা শেষ হোৱাৰ পাছত মাহ-হালধীৰে কইনাক পুনৰ গা ধোওৱা হয়। গা ধোৱাই হ'লে পুনৰ দুৱলি আৰু লোটাটোৰে কইনাৰ সন্মূখত তিনিবাৰকৈ ঘূৰায়,চাউল চটিয়াই আৰু লোটাটোত সোমোৱাই ৰখা আমপাতকেইটাৰে কইনাক পানী চটিওৱা হয়। এই কাম কইনাৰ মাককে ধৰি তিনিজনী আয়তীয়ে কৰা দেখা যায়।চাকিসাৰ, আমসাৰ দি হ'লে কইনাজনীক দাংকোলাকৈ সমাজৰ মাজলৈ অৰ্থাৎ ৰভাতলীলৈ নিয়া হয়।কইনাৰ মূৰত তেল দি আয়তীসকলে পুনৰ সজাই তোলে।কইনাজনীৰ শৰীৰৰ বিভিন্ন অংগ যেনে- কপাল, গাল, মূৰ, হাত, ভৰি, আঁঠু আদিত সেন্দুৰৰ একোটাকৈ ফোঁট দিয়া হয়। এই সেন্দুৰ বিশেষকৈ শিৰৰ সেন্দুৰখিনি তিনিদিনলৈকে মচিবলৈ দিয়া নহয়। কইনাজনী এদিন ডাঙৰ হৈ যিহেতু মাতৃ হ'ব লাগিব। সেয়ে সন্তান পালনৰ লগত জড়িত কিছুমান লোকাচাৰ পালন কৰা হয়। কইনাজনীক সৰু ল'ৰা-ছোৱালী তিনিটাক কোঁচত লৈ চুমা খাবলৈ দিয়ে আৰু লগতে সিহঁতক মিঠাই খাবলৈ দিয়া হয়।তাৰপাছত কইনাই গোপিনীসকলক সেৱা কৰে আৰু তেওঁলোকেও কইনাজনীক আশীৰ্বাদ প্ৰদান কৰে।বিয়াৰ দিনা গৃহস্থই সাধ্য অনুসৰি সকলোৰে বাবে খোৱাৰ যোগাৰ কৰে। এই লোকাচাৰসমূহ পালন কৰি হোৱাৰ পাছত গোপিনীসকলে খোৱা-বোৱা কৰি ঘৰলৈ উভতে। বিয়া ভগাৰ পাছত গধূলি কইনাজনীক মাক আৰু ওচৰৰ গাভৰু ছোৱালীবোৰ মিলি গাঁৱৰ নামঘৰত সেৱা কৰাৰ উদ্দেশ্যে লৈ যায়।সেৱা কৰাৰ পাছতহে কইনাক

খাবলৈ দিয়া হয়। অৱশ্যে পুৰোহিতে নিৰ্দ্ধাৰণ কৰি দিয়া দিন সম্পূৰ্ণ নহ'লে কইনাই ব্ৰততে থাকিব লাগে। এনেদৰেই এজনী ছোৱালীয়ে প্ৰকৃতিৰ নিয়ম অনুসৰি কন্যাকাল লাভ কৰে।

# তৃতীয় অধ্যায়

### ৩.০০ বৰ বিয়া:-

কৈৱৰ্ত সমাজত দৰাঘৰে ছোৱালী এজনী পছন্দ কৰাৰ পাছত বিবাহ অনুষ্ঠানৰ পূৰ্বৰে পৰা বিবাহ সম্পন্ন হোৱাৰ পৰৱতী সময়লৈকে বহুতো নীতি-নিয়ম তথা লোকাচাৰ পালন কৰে। এই নীতি-নিয়মসমূহৰ লগত বহুতো লোকবিশ্বাস জড়িত হৈ আছে। কৈৱৰ্তসকলে তথা অসমীয়া সমাজত সাধাৰণতে বিয়াৰ বাবে ব'হাগ আৰু ফাগুণ মাহক উপযুক্ত বুলি গণ্য কৰা হয়।ভাদ,আহিন,কাতি,পুহ,চ'ত আদি মাহত বিয়া পতা নহয়।আঘোণ মাহত ঘৰৰ জ্যেষ্ঠ পুত্ৰৰ বিবাহ নিষিদ্ধ।কিয়নো লোকবিশ্বাস আছে যে আঘোণ মাহত জ্যেষ্ঠ পুত্ৰৰ বিবাহ সম্পন্ন কৰিলে দাম্পত্য জীৱনত বেমেজালিয়ে দেখা দিয়ে।সেইদৰে দৰাজন ঘৰৰ ডাঙৰ পুত্ৰৰ হ'লে আনহাতে কইনাজনীও ঘৰৰ ডাঙৰ সন্তান হ'লে সেই বিয়া সম্পন্ন কৰিব নাপায় বুলি বিশ্বাস কৰা হয়।কৈৱৰ্তসকলে বৰবিয়া এদিনীয়া,দুদিনীয়া আৰু তিনিদিনীয়াকৈও অনুষ্ঠিত কৰে।দৰা আৰু কইনা অনুসৰি কিছুমান নীতি-নিয়ম বেলেগ বেলেগ হয়। সেইসমূহ হ'ল -

### ৩.১ তামোল-পাণ পেলোৱা বা আঙুঠি পিন্ধোৱা পৰ্ব:-

দৰা আৰু কইনা দুয়োঘৰৰ সুবিধা অনুযায়ী বিয়াৰ পূৰ্বে এটা দিন ঠিক কৰি দৰাঘৰীয়াই ভকতকেইজনমানক লগত লৈ কইনাৰ ঘৰলৈ যাত্ৰা কৰে।কইনাঘৰীয়াই

দৰাঘৰীয়া ভকতসকলক হাত-ভৰি ধোৱাই আদৰি ভিতৰলৈ নিয়ে। আসন পাৰি তেওঁলোকক বহুৱাৰ পিছত চাহ-তামোলেৰে অতিথি আপ্যায়ণৰ ব্যৱস্থা কৰে। এইদৰে আপ্যায়ণ কৰাৰ পাছত দৰাঘৰে কইনাঘৰলৈ অহাৰ উদ্দেশ্য ব্যক্ত কৰে। তাৰপাছত দুয়োপক্ষই তামোল-পাণৰ শৰাই আগবঢ়াই বিয়াৰ কথা আলোচনা কৰে। দুয়োঘৰে তামোল-পাণৰ বঁটা আৰু অৰিহণা পৰস্পৰে সাল-সলনি কৰে। এইক্ষেত্ৰত দৰাঘৰে অৰিহণা ছোৱালীঘৰৰ তুলনাত বেছিকৈ দিব লাগে। দৰাঘৰৰ মানুহে ছোৱালীক আঙুঠি পিন্ধাই ভকতসলৰ আগত সেৱা কৰায়। সেইদিনাই ছোৱালীজনীৰ শিৰত সেন্দুৰ দিয়া হয় আৰু তেতিয়াৰে পৰা ছোৱালীজনীয়ে শিৰত সদায় সেন্দুৰ লয়। অৱশ্যে তেতিয়া ছোৱালীজনীয়ে অন্যান্য বোৱাৰী মানুহৰ দৰে সকলোৱে দেখাকৈ সেন্দুৰ ল'ব নালাগে। ইয়াৰ পিছত সাধ্য অনুসৰি কইনাঘৰে দৰাঘৰীয়াক মান ধৰে আৰু আপ্যায়ণ কৰে।

**৩.২ জোৰোণ দিয়া বা টেকেলি দিয়া পৰ্ব:-**

জোৰোণৰ দিনা ৰাতিপুৱা দৰাঘৰৰ মানুহে কইনাঘৰলৈ জোৰোণ দিয়াৰ উদ্দেশ্যে যাত্ৰা কৰে। এই যাত্ৰাত দৰাঘৰীয়াই প্ৰয়োজনীয় সকলোবোৰ বয়-বস্তু যা-যোগাৰ কৰি দৰাক সেৱা কৰিবলৈ কয়। তাৰপাছতহে জোৰোণ দিবলৈ কইনাঘৰলৈ যাত্ৰা কৰে।

চাকি জ্বলাই হ'লনে

ধূপ জ্বলাই হ'লনে

জোৰোণ যাবৰে হ'ল

দৰা আহি পালেনে

আমডালি গাথিলোঁ

দৰ্জামুখত আৰিলোঁ

মৰমৰ দাদা তোমাক

সাদৰেৰে মাতিলোঁ

আহা দাদা আহাছোন

ঢাৰি-পাটিত বহাছোন

জোৰোণ যাবৰে হ'ল

সেৱা এটি লোৱাছোন

এই যাত্ৰাত দৰাঘৰীয়াই এখন ডাঙৰ কাঁহৰ কাহীত চাউল, তামোল-পাণ, মাটিৰ চাকি, কল এক আশি, আৰ্চি-ফণি, ওৱা সূতাৰে বন্ধা কলথুৰ, শিলগুটি, অৰিহণা আদিৰে এখন দুৰলি, আমপাতত কলখাৰ, কপাহ-গুটি বান্ধি সাতটা টোপোলা আৰু এগছি জ্বলন্ত বন্তিৰে সৈতে সাত বাটি, পাটৰ-মুগাৰ সাঝ, নোৱনী সাজ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰী ৰূপৰ তামোল কটাৰী,গামোছাৰে মেৰিওৱা লোটাটোৰ ওপৰত ধান এছিৰা, সাতটা আমপাতেৰে লোটাটোৰ ডিঙিত এৰা সূতাৰে বন্ধা, সাত বাটিৰে সৈতে ধৰ্মৰ টেকেলি,

চাৰিডাল খৰিকাৰে সৈতে সৰু দৈৰ টেকেলি, মাহ-হালধী, মিঠাতেলৰ বটল, কইনা গা ধোৱাবৰ বাবে যাৱতীয় সামগ্ৰী ইত্যাদি লৈ দৰাঘৰীয়া কইনা ঘৰত উপস্থিত হয়। তদুপৰি কইনা মাকলৈ এসাঁজ কাপোৰ আৰু কঁচু, জালুক, নহৰু, চাউল, মাছ, তেল, নিমখ, হালধী আদিৰে এটা সম্পূৰ্ণ ভোজনী অনা হয়।এই ভোজনীটোক 'পেটপোৰা' বোলে। ইয়াৰ উপৰিও কইনা বহিবলৈ পাটী,গাৰু বিচনা চাদৰ ইত্যাদিও লগত লৈ যোৱা হয়।জোৰোণৰ দিনা আয়তীসকলে গায় -

অ' মন তৰা

জোৰোণ লৈ আহিছোঁ আদৰি নিয়াহি পদূলিৰ পৰা

জিলিকি আহিছে অ' মন তৰা

হাতত সাতেবাটি অ' মন তৰা

জোৰোণ লৈ আহিছোঁ আদৰি নিয়াহি পদূলিৰ পৰা

মৰমৰ শাহু আই অ' মন তৰা

কৰা লৰালৰি অ' মন তৰা

হাতত ধূপ-ধূণা লৈ অ' মন তৰা

জোৰোণ লৈ আহিছো অযোধ্যাৰ পৰা

জোৰোণ আহি কইনাঘৰৰ পদূলি পোৱাৰ পাছত দৰা-কইনা দুয়োঘৰে তামোল-পাণৰ শৰাই আগবঢ়াই সেৱা কৰি জোৰোণক ৰভাতলীলৈ আগবঢ়াই আনি ভকতসকলে ভাগৱত পাতি থোৱা ঠাইত বহিবলৈ দিয়ে। জোৰোণত অনা বস্তুসমূহ প্ৰথমে ৰভাতলীত দেখুৱায়। তাৰপাছত দৰাৰ মাক, টেকেলি ধৰা মহিলা আৰু কেইগৰাকীমান দৰাঘৰীয়া আয়তীয়ে ৰাইজক সেৱা কৰি জোৰোণৰ বয়-বস্তুসমূহ ভিতৰলৈ অৰ্থাৎ কইনাৰ ওচৰলৈ লৈ যায়। ইয়াৰে পাটৰ-মুগাৰ সাজ, আ-অলংকাৰ, প্ৰসাধনেৰে কইনাক সজাই তোলে আৰু আয়তীসকলে গায় -

মাৰাৰ অলংকাৰ থোৱা কাটি কৰি

ঐ ৰাম

দেউতাৰাৰ অলংকাৰ থোৱা হে

ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ

ঐ ৰাম

হাতে যোৰে কৰি লোৱা হে

অ' সোণৰ খাৰু

আজি শিৰত সেন্দুৰ কিয় ল'লা বাৰু

পাৰে পৰি হৰি মুকুন্দ মুৰাৰি

ৰামে দি পঠাইছে নল'লেও নোৱাৰি

টেবুলৰ ফুলদানি হাতলৈ লোৱা
মৰমৰ আইদেউ কি লাগে কোৱা
একো মোক নালাগে সকলো আছে
জীয়ৰী জীৱনটো ঘূৰাই মোক লাগে

এই সময়ছোৱাত আয়তীসকলে কইনাজনীক সাংসাৰিক জীৱনটোৰ বিষয়ে পৰিচয় কৰায়
-

কুলু কুলু কৰি নৈ জান বব
বাইদেউৰ দুখৰ কথা কাৰ আগত ক'ব
এদিন দুপৰীয়া ভাইটি যাব
বাইদেউৰ দুখৰ কথা সকলো ক'ব
ৰাতি নৌ পুৱাওতেই উঠো মই শুই
বাহি বন কৰিয়েই ধৰো মই জুই
এইদৰেই কৰি যাও সকলো কাম
তথাপি শাহুআই নলয় মোৰ নাম
শাহু গালি পাৰে গোষ্ঠীত ধৰি
শহুৰ গালি পাৰে ওলাই যা বুলি

নন্দে গালি পাৰে ঠাট্টাৰ সুৰত

বাইদেউৰ চকুৰ পানী চাদৰৰ আগত

খাই ঢুকুৱালোঁ ভঁৰালৰ ভাত

পিন্ধি ঢুকুৱালোঁ বাকচৰ সাজ

সেয়েহে দেউতা নিদাৰুণ হ'লা

কোমল বয়সতে বিয়া দি দিলা

এনেদৰেই বিয়ানামবোৰৰ মাজেৰে বৈ আহে পাৰ ভাঙিব নোৱাৰা বিষাদ। কইনাই বিয়ানামবোৰ শুনাৰ লগে লগে কান্দোন ৰখাব নোৱৰা হয়।

দৰাঘৰীয়াই কইনাৰ মূৰত তেল,সেন্দুৰ দি মূল পাটৰ সাজ,আ-অলংকাৰ পিন্ধায়। দৰাঘৰীয়াই কইনাৰ মাকলৈ অনা বস্তুসমূহো সকলোৰে আগত প্ৰদান কৰে। এই সময়ছোৱাত কইনাঘৰীয়াই দৰাঘৰক উদ্দেশ্যি জাত-জাত জোৰানামৰ ৰগৰ তোলে -

ৰভা খুঁটা হেলেকা ৰভা খুঁটা হেলেকা

কইনাঘৰৰ মানুহবোৰৰ চকুকেইটা টেলেকা

কল খাই পেলালে কলৰে গুটি

কাপোৰযোৰ আনিছে আইদেউলৈ চুটি

সেইসাজ কাপোৰনো কেনেকৈ পিন্ধাম

দৰাজন আহিলে ওভটাই পথাম

বাঁহৰে খৰাহী বেটৰে বাও

কইনা সজাবলৈ নধৰা ভাও

কইনা সজাবলৈ আহিছা হয়

চকুযোৰ দেখিয়ে লাগিছে ভয়

নাকটো কি চাবা এডোখৰ সৰা

কপালখন কি চাবা দিখৌ নৈৰ গৰা

পিঠিখন কি চাবা ধান মেলা ঢাৰি

এপোৰা চাৰি ডোন মেলিব পাৰি

গালৈ কি চাবা ভেকুলি বেং

ভৰিলৈ কি চাবা ফৰিঙৰ ঠেং

অৱশ্যে এইবোৰ ধেমালিহে। এই ধেমালিৰ মাজেৰেই কইনাঘৰীয়া আয়তীসকলে দৰাঘৰৰ আয়তীসকলৰ লগত পৰিচয় হয়। এখন ঠাইৰ মানুহৰ আন এখন ঠাইৰ মানুহৰ সৈতে পৰিচয় ঘটে।সেয়েহে ধেমালি কৰিলেও পৰৱৰ্তী সময়ত কয় -

আমডালি গাথিছোঁ

দৰাজন আহিলে ওভটাই পথাম

বাঁহৰে খৰাহী বেটৰে বাও

কইনা সজাবলৈ নধৰা ভাও

কইনা সজাবলৈ আহিছা হয়

চকুযোৰ দেখিয়ে লাগিছে ভয়

নাকটো কি চাবা এডোখৰ সৰা

কপালখন কি চাবা দিখৌ নৈৰ গৰা

পিঠিখন কি চাবা ধান মেলা ঢাৰি

এপোৰা চাৰি ডোন মেলিব পাৰি

গালৈ কি চাবা ভেকুলি বেং

ভৰিলৈ কি চাবা ফৰিঙৰ ঠেং

অৱশ্যে এইবোৰ ধেমালিহে। এই ধেমালিৰ মাজেৰেই কইনাঘৰীয়া আয়তীসকলে দৰাঘৰৰ আয়তীসকলৰ লগত পৰিচয় হয়। এখন ঠাইৰ মানুহৰ আন এখন ঠাইৰ মানুহৰ সৈতে পৰিচয় ঘটে। সেয়েহে ধেমালি কৰিলেও পৰৱৰ্তী সময়ত কয় -

আমডালি গাথিছোঁ

দৰ্জামুখত আৰিছোঁ

বেয়া নাপাবা দেই

ধেমালিহে কৰিছোঁ

কইনাক খোজোতে দৰাঘৰৰ মানুহে কইনাৰ ওচৰত বহি থকা গোপিনীক বঁটা এখনত তামোল-পাণ, অৰিহণা, মৰ্টন দি কইনাক সমাজলৈ আনে। কইনাই ৰভাতলীত সকলোৰে আগত আঁঠু লৈ সেৱা কৰে। কইনাই সকলো বস্তু স্পৰ্শ কৰাৰ পাছত তাৰে এভাগ বস্তু যেনে- মাহ-হালধী, আদি দৰালৈ বুলি লৈ আহে। তাৰপাছত কইনাই দৰাৰ মাক-দেউতাককে আদি কৰি জোৰোণ দিবলৈ যোৱা লোকসকলক মান ধৰি সেৱা কৰে। এই নীতি-নিয়মসমূহ পালন কৰি হোৱাৰ পাছত কইনাঘৰে দৰাঘৰীয়াক খোৱাই-বোৱাই বিদায় দিয়ে।

**৩.৩ পানী তোলা পৰ্ব:-**

জোৰোণৰ দিনা আয়তীসকলে কইনাক জোৰোণ দি অহাৰ পিছত গধূলি গায়ন-বায়ন লগত লৈ ওচৰৰে নদী বা পুখুৰীৰ পৰা পানী তুলিবলৈ যায়। পানী তুলিবলৈ যাওতে গোটেই বাটছোৱা বিয়ানাম আৰু উৰুলি ধ্বনিৰে মুখৰিত হৈ পৰে -

ৰাম কৃষ্ণ পানী তুলিবলৈ

ৰাম কৃষ্ণ দৈৱকী ওলালে

হৰি মোৰ ঐ

কাষতে কলচী লৈ

ৰাম কৃষ্ণ আগে-পাছে কৰি

ৰাম কৃষ্ণ সকলো গোপীয়ে

হৰি মোৰ ঐ

গঙ্গাজল আনোগৈ বুলি

ৰাম কৃষ্ণ জলভৰি যশোদা

ৰাম কৃষ্ণ পাছলৈ নাছাবা

হৰি মোৰ ঐ

সাগৰো আহিব ভাগি

গুৱা -পাণ আগে কৰি জললৈ নামিবা

জললৈ নামিবা

কটাৰিৰে পানী কাটি কলচীত ভৰাবা

ওচৰৰে নদী বা পুখুৰীত নামি মাকে লগত নিয়া চাৰিখন থুৰীয়া তামোল চাৰিদিশে দলি মাৰি তামোল-পাণ আৰু অৰিহণা আগবঢ়াই সেৱা কৰে। কাঁচি বা

কটাৰীৰে মাককে ধৰি তিনিজনী আয়তীয়ে পূৰণ চিন দি পানী কাটি উৰুলি দিয়ে আৰু এগৰাকী গোপিনীয়ে মাকক সোধে -

গোপিনী:- ক'ৰ পৰা আহিছা?

মাক:- ধেৰধেৰীয়া পৰ্বতৰ পৰা আহিছো।

গোপিনী:- কি গোন্ধ পাই আহিছা?

মাক:- বৰ দৰা, বৰ কইনাৰ গোন্ধ পাই আহিছো।

গোপিনী:- আইৰ ভাল

মাক:- ভাল

গোপিনী:- বোপাইৰ ভাল

মাক:- ভাল

গোপিনী:- গাঁৱৰ সকলোৰে ভালনে?

মাক:- ভাল

গোপিনী:- সত্ৰ-সবাহৰ ভাল?

মাক:- ভাল

এইদৰে তিনিবাৰ সোধাৰ পাছত উৰুলি দি অলপ অলপকৈ তিনিবাৰত লোটাটো পানীৰে ভৰাই পাছলৈ নোছোৱাকৈ দৈৰকী ঘৰমুৱা হয়। পানী তোলা আয়তীসকল আহি বিয়াঘৰৰ পদূলিত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। কইনা বা দৰাৰ আত্মীয়-স্বজনে তামোল-পাণ, অৰিহণাৰ বঁটাৰে আদৰি নিয়ে। মাকে দৰা বা কইনাক আঁচলত ধৰি ভিতৰৰ পৰা উলিয়াই আনি মাহ-হালধীৰে বেইৰ তলত গা ধোঁৱায়। আৰু গায় -

ৰাম কৃষ্ণ বেই পাই ঘূৰিলে

ৰাম কৃষ্ণ পীৰা পাই বহিলে

হৰি মোৰ ঐ

পাত পাই মেলিলে ভৰি

চাৰিওফালে কলৰ পুলি

তাতে আমৰ ডালি

তাতে আমৰ ডালি

আইদেৱে পানী ঢালে

ৰাম কৃষ্ণ বুলি

আগে দিবা আগে দিবা আপোনাৰ আই

এ ৰাম ৰাম

ভালে কৰি আগে দিবা শৰীৰ জুৰাই

এ ৰাম ৰাম

তাৰপাছত আমসাৰ,চাকিসাৰ দি সাতগৰাকী আয়তীয়ে দৰা-কইনাৰ মূৰৰ ওপৰত চেলেং চাদৰ এখনত চাউল দিয়ে আৰু সেইখিনি মাকে আঁচল পাতি লয়।সেই সাতগৰাকী আয়তীয়ে পৰৱৰ্তী সময়ত গাঁথিয়ন খুন্দিব লাগে। কইনাক বেইৰ তলত তিনি বা পাঁচগৰাকী আয়তীয়ে আগ দিয়ে অৰ্থাৎ দুৰলিখনেৰে তিনিবাৰকৈ কইনাৰ আগত ঘূৰায়। ঠিক সেইদৰে লোটাটোও তিনিবাৰকৈ কইনাৰ সন্মুখত ঘূৰাই আমপাতেৰে কইনাৰ গাত পানী ছটিয়ায়।

গা ধুই আইদেৱে মাকক সুধিলে

ঐ ৰাম

মোলৈ কি সাজ আছে হে

ছাঁতে শুকোৱা মুঠিতে লুকুৱা

ঐ ৰাম

তোলৈ সেই সাজ আছে হে

গা ধুই আইদেৱে মাকক সুধিলে

কিনো ফুল পিন্ধিব পাই হে

মালতী নিপিন্ধে সেউতী নিপিন্ধে নিপিন্ধে খৰিকাজাঁই হে

সাগৰৰ মাজতে আছে পাৰিজাতে

ঐ ৰাম

সেইপাহি পিন্ধিব পাই হে

মৰমৰ ৰামচন্দ্ৰই ল'লে নাবৰ বঠা

ঐ ৰাম

পাৰিজাত বিছাৰি যায়হে

নাপালে নাপালে পাৰিজাত নাপালে

ঐ ৰাম

পাৰিজাত মৰহি যায়হে

**৩.৪ গাঁথিয়ন খুন্দা:-**

দৰা বা কইনাক গা ধোৱাই অনাৰ পাছত ঘৰৰ ভিতৰত এটা কোঠাত সাতগৰাকী আয়তীয়ে গাঁথিয়ন খুন্দে। পটা এখনত গাঁথিয়ন,জাঁই এটা,গোন্ধতেল আদি সাতজনী আয়তী আৰু দৰা-কইনাই পটাগুটিৰে খুন্দে। আয়তীসকলে গাঁথিয়ন খুন্দাৰ সময়ত এইদৰে গীত আয়:-

উজনি ৰাইজৰে গোন্ধে গাঁথিয়নে

গোন্ধে গাঁথিয়নে

ভাটি ৰাইজৰে পটা

সাতো আয়তীয়ে গাঁথিয়ন খুন্দিছে

গাঁথিয়ন খুন্দিছে

উৰুলি এজোকা দিয়া ৰামে হৰি

উৰুলি এজোকা দিয়া।

এইবুলি তিনিবাৰ উৰুলি দি পটাখনত পটাগুটিটোৰে তিনি খুন্দা মাৰে। গাঁথিয়ন খুন্দোতে দুগৰাকী এঁৰা ছোৱালীয়ে ওপৰত চেলেং চাদৰ এখন ধৰি থাকে আৰু দৰা-কইনাৰ মাকে মূৰত সাতবাটি লৈ থাকে।

গাঁথিয়ন খুন্দাৰ সময়ছোৱাত ক'লা বুঢ়ী নচা বুলি এক পৰম্পৰাগত হাস্যমধুৰ প্ৰথা পালন কৰা হয়। এই প্ৰথা অনুসৰি বুঢ়ী মানুহ এগৰাকীয়ে কুলা এখনত পিঠাগুৰি, ভগা টেকেলি, টোপোলা এটাত বান্ধি লৈ নাচে আৰু গান গায়। নচা বুঢ়ীগৰাকীক গামোছা, গুৱা-পাণ, অৰিহণাৰে সন্মান যঁচা হয়।

**৩.৫ দৈয়ন দিয়া:-**

বিয়াৰ দিনা পুৱা দোকমোকালি সময়তে দৈয়ন দিয়া পৰ্ব পালন কৰে। কাঁহৰ বাটি এটাত দৈৰে সৈতে দুখিলা পাণ জুবুৰিয়াই সাতগৰাকী আয়তীয়ে দৰা বা কইনাক দৈয়ন দিয়ে। মাকে ৰিহাৰ আঁচলেৰে দৰা বা কইনাক বহি থকাৰ পৰা সাতখোজ নমাই আনে। তাৰপাছত দৰা বা কইনাই মাকৰ ভৰিত ধৰি সেৱা কৰে।

**৩.৬ ন পুৰুষৰ শ্ৰাদ্ধ:-**

বিয়াৰ দিনা ৰাতিপুৱা ন পুৰুষৰ শ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা ভকত-গোপিনীয়ে পানী তুলি আনি দৰা-কইনাক মাহ-হালধীৰে গা ধোৱায়। সেইদিনা ন পুৰুষ তললৈ নামি আহে বুলি বিশ্বাস কৰা হয়। সেয়েহে তেওঁলোকক উদ্দেশ্যি ন পুৰুষৰ শ্ৰাদ্ধৰ আয়োজন কৰা হয়। দৰা কইনাৰ পিতৃয়ে নিজৰ পূৰ্বপুৰুষৰ পিণ্ডদান কৰে আৰু দৰা-কইনাৰ লগতে পৰিয়ালৰ সকলোৱে ভকতৰ ওচৰত সেৱা লয়। ভকতে নাম-কীৰ্ত্তন কৰি সকলোকে আশীৰ্বাদ প্ৰদান কৰে। আশীৰ্বাদ দিয়াৰ পাছত ভকতসকলে মাহ-প্ৰসাদ,জা-জলপান খায়। শ্ৰাদ্ধ ভগাৰ পাছত দৰাঘৰৰ পৰা দি পঠোৱা বস্ত্ৰ, আ-অলংকাৰেৰে কইনাক আৰু কইনাঘৰৰ পৰা দিয়া বস্ত্ৰৰে দৰাক সজাই তোলে। তাৰপাছত গৃহস্থই অতিথিক সাধ্য অনুসৰি আপ্যায়ন কৰে।

### ৩.৭ পানী তোলা পৰ্ব:-

জোৰোণৰ দিনাৰ দৰেই বিয়াৰ দিনাও দৰা আৰু কইনা ঘৰত পুনৰ পানী তুলা পৰ্ব অনুষ্ঠিত কৰা হয়। পানী তুলি আহি পূৰ্বৰ দৰে পুনৰ দৰা-কইনাক গা ধোৱায়। তাৰপাছত দৰাই কইনাঘৰৰ পৰা দিয়া সাজ-পাৰ পিন্ধি ভকতৰ ওচৰত সেৱা জনাই সখী আৰু অন্যান্য বৰযাত্ৰীসকলক লগত লৈ কইনাঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰে। এই যাত্ৰাত দৰাৰ মাকক লগত নিয়া নহয়। দেউতাকহে লগত যায় আৰু দৰাৰ লগতে বামুন এজনকো লৈ যোৱা হয়। কইনা ঘৰত হোম দিয়া, মন্ত্ৰ পাঠ কৰা আদি কাৰ্য্যৰ বাবে। দৰা কইনাঘৰলৈ যাওঁতে আমখৰি এশডাল, ঘিউ, চাকি-বন্তি, ভাইবৰণৰ সাজ,মোমাইবৰণৰ সাজ ইত্যাদি সামগ্ৰী লগত লৈ যোৱা হয়।

### ৩.৮ দৰা আদৰা পৰ্ব:-

দৰা আহি কইনাঘৰৰ পদূলিত উপস্থিত হোৱাৰ পাছত কইনাঘৰৰ মানুহে দৰা আদৰে।কইনাঘৰৰ পদূলিত পাৰি থোৱা বৰপীৰাত সখীয়ে ধৰা ছাতিৰ তলত মুখত ৰুমাল লৈ দৰা আৰু সখী থিয় হয়।আয়তীসকলৰ মাজত বিয়ানামৰ ৰোল উঠে -

শিৱ গোঁসাই আহিছে ডম্বৰু বাজিছে

জনক ৰজাৰ পদূলিত কইনা ভিক্ষা মাগিছে।

অ' বিনন্দীয়া

ছাতি জপাই দিয়া

ৰুমাল গুচাই দিয়া

চাবলৈ আহিছো দৰা কেনেকুৱা

ক মানে কমলা মুখৰ ৰুমাল নুগুচাই

দাড়ি পকিল হ'বলা

কইনাৰ ভায়েক-ভনীয়েকে দৰা-সখী দুয়োকে ভৰি ধোৱায়। তাৰপাছত কইনাৰ মাকে কাঁহৰ কাঁহি এখনত ধূপ-ধূণা জ্বলাই, কাঁহৰ বাতি এটাত দৈ, পাণ, মিঠাই কেইটামান আৰু বিচনী এখনেৰে মুখখন ঢাকি দৰা আদৰিবলৈ আহে। দৰা-সখীক দৈয়ন দিয়াৰ লগতে ধূপ-ধূণাৰে আৰতি কৰি চুমা খাই মিঠাইকেইটা তেওঁলোকক শুঙিবলৈ দি চাৰিওফালে দলিয়াই পেলাই আৰু দৰা-সখীৰ লগতে অন্যান্য বৰযাত্ৰীসলকো আদৰি আনি আথেবেথে ৰভাতলিত বহুৱায়।

**৩.৯ হোম দিয়া পৰ্ব:-**

হোম যজ্ঞৰ কাৰণে দৰাঘৰীয়াই পাঁচ পোৱা গৰুৰ ঘী, এশ এডাল আমখৰি, মাটিৰ মলা তিনিটা, এটা ঘট, প্ৰসাদ, কল, চেনী, কুঁহিয়াৰ, গৰুৰ গাখীৰ, নতুন কাপোৰ, আখৈ, পিঠাগুৰি, তামোল-পাণ, লগুণ গাঁথি দিবলৈ এখন চেলেং আদি বয়-বস্তুবোৰ হোম

যজ্ঞৰ ওচৰলৈ উলিয়াই অনা হয় ।কইনাক ৰভাৰ তলীলৈ ওলাই আহিবলৈ আয়তীসকলে বিয়া নাম গায় -

ওলাই আহা আইদেৱে

অ'শচী

মাটিত মংগল চাই

গণকে গণিকা কৰে

অ' শচী

কইনাই আঁৰ কাপোৰৰ আঁৰৰ পৰাই দৰাক সেৱা কৰে । হোম দিয়া পৰ্বত দৰা কইনা এজনৰো মাকক উপস্থিত থাকিবলৈ দিয়া নহয় । হোম যজ্ঞত পুৰোহিতে এশ এডাল আমখৰি জ্বলাই দিয়ে আৰু লগে লগে মন্ত্ৰপাঠ কৰে ।আয়তীসকলে বিয়ানাম গায় -

কলীয়া তুলসীজুপি চকলীয়া পাত

চকলীয়া পাত

যজ্ঞত বহি ৰামচন্দ্ৰই জলত দিছে হাত

ৰাম বোলা ৰাম বোলা ৰাম বোলা হৰি

তোমাৰ দাদাই বিয়া দিছে অগ্নিক সাক্ষী কৰি

এই পৰ্বত কইনাৰ সন্মুখত ন যোৰ তামোল ৰখা হয় আৰু সেইবোৰ কইনাক ভৰিৰে মোহাৰি পেলাবলৈ দিয়া হয় । পুৰোহিতে চেলেংখনেৰে সৈতে লগুণ গাঁথি দি মন্ত্ৰ পাঠ কৰে আৰু সেইখন দৰা-কইনাক সাঙুৰি গাঁথি দিয়ে । কইনাৰ পিতৃয়ে কইনাৰ আঙুলিত কুশ বন পিন্ধাই ছিঙি দি সম্বন্ধ ছিঙে আৰু কইনা সম্প্ৰদান কৰে। বৰহোমত কইনাৰ ভায়েকে আখৈ দিয়ে।এইসময়ছোৱা পৰিৱেশটো বৰ কৰুণ হৈ পৰে।আয়তীসকলে দুখলগাকৈ বিয়ানাম গায় -

আখৈ দিয়া আখৈ দিয়া মৰমৰে ভাই

মৰমৰে ভাই

আজিৰ পৰা তোমাৰ বাইদেউ

গোত্ৰ ছিঙি যায়।

দৰাঘৰীয়াই ভায়েকক ভাইবৰণৰ সাজযোৰ অৰ্পণ কৰে। তাৰপাছত দৰা-কইনাই ৰভাতলিত বহি থকা ভকত-গোপিনীক মান ধৰি সেৱা কৰে । কইনাৰ মোমায়েকে কইনাক কাঁহি-বাটি তথা প্ৰয়োজনীয় সামগ্ৰী উছৰ্গা কৰে আৰু তেতিয়া দৰাঘৰীয়াই তেওঁক মোমাইবৰণৰ সাজ প্ৰদান কৰে । হোম পৰ্ব শেষ হোৱাৰ পাছত দৰা-কইনা দুয়োকে কইনাৰ মাকে ভিতৰলৈ সুমোৱাই নি দুটা কাঁহৰ বাটিত খাবলৈ দিয়ে আৰু বাটি দুটা ইজনে সিজনক সলাবলৈ দিয়া হয় বাটি দুটা সলাওতে যাতে খুন্দা নাখাই তালৈ

লক্ষ্য ৰখা হয়। খুন্দা খালে বিয়াৰ পাছত দৰা কইনাৰ মাজত কন্দল লাগে বুলি লোকবিশ্বাস আছে।

**৩.১০ কইনা বিদায় দিয়া পৰ্ব:-**

বিদায়ৰ সময়ত দৰা কইনাই মাক-দেউতাক দুয়োকে সেৱা কৰে।

মৰমৰ মা-দেউতা যাবলৈ ওলালোঁ

যাবৰে সময়ত সেৱাহে জনালোঁ

কইনাক বিদায় দিয়াৰ সময়ত কইনাৰ মাকে দুহাত মেলি দুৱাৰত ধৰে আৰু তেওঁৰ দুয়োহাতৰ তলেৰে দৰা-কইনাই পাছলৈ নোচোৱাকৈ পাৰ হৈ যায়। দুৱাৰৰ দুয়োকাষে এলোটা পানী আৰু এক টেকেলি চাউল থোৱা থাকে। সেই চাউলৰ পৰা কইনাই দুমুঠি চাউল ঘৰৰ ভিতৰলৈ পিছফালে ছটিয়াই দিয়ে। তাৰপাছত উৰুলি দি দুয়োকে বিদায় বিদায় জনোৱা হয়। এই সময়ছোৱাত কইনাঘৰত কান্দোনৰ ৰোল উঠে।

ঔৰ গছৰ কোমল কুঁহি

ভাটৌ পৰি খায়

ভাটৌ পৰি খায়

দেউতাই পোহা ময়নাজনী

আনে লৈয়া যায়।

এনেদৰেই এক কৰুণ পৰিৱেশৰ মাজেৰে কইনাই দৰাঘৰলৈ যাত্ৰা কৰে আৰু ঐক নতুন জীৱনৰ পাতনি মেলে।

**৩.১১ দৰা-কইনা আদৰা পৰ্ব:-**

দৰাই কইনা লৈ আহি পদূলিমুখ পোৱাৰ পাছত দৰা-কইনা দুয়োকে বৰপীৰাত দৰাৰ ভায়েক-ভনীয়েকে হাতত এঘটি পানী লৈ দুয়োকে ভৰি ধোৱায়। তাৰ পাছত দৰাৰ মাকে ধূপ-ধূণা লৈ দুয়োকে ভিতৰলৈ আদৰি নি প্ৰথমেই গোঁসাই ঘৰত সেৱা কৰায়। মাকে কইনাক ঘৰৰ চাৰিওকোণ দেখুৱাই দিয়ে। লগতে দৰা-কইনাক পাকঘৰলৈ নি ভাতেৰে পূৰ্ণ হৈ থকা চৰু দেখুৱায়। খালী চৰু দেখুৱাব নাপায় বুলি বিশ্বাস কৰা হয়।

**৩.১২ আঙুঠি বিছৰা পৰ্ব:-**

কইনাক দৰাৰ মাকে ঘৰৰ ভিতৰ-বাহিৰ সকলোবোৰ দেখুওৱাৰ পাছত আয়তীসকলে দৰা-কইনাক আঙুঠি বিচাৰিবলৈ দি হাঁহি-তামাছা কৰে। এই পৰ্বত এটা খৰাহী চাউলেৰে সম্পূৰ্ণ কৰি তাৰ ভিতৰত এটা আঙুঠি লুকুৱাই থোৱা হয়। তাৰপাছত দুয়োকে সেই আঙুঠিটো বিচাৰিবলৈ দিয়া হয়। যিয়ে আগতে আঙুঠিটো বিচাৰি পায় তেৱেঁই জয়ী হয়। তাৰপাছত দুয়োকে ভিতৰলৈ নি মাটি মাহৰ আঞ্জাৰে ৰান্ধি থোৱা ভাত খাবলৈ দিয়া হয়।

### ৩.১৩ খোবা-খুবুনী:-

বিয়াৰ তিনিদিনৰ পাছত খোবা-খুবুনী অনুষ্ঠান পালন কৰা হয়। এই তিনিদিনলৈকে দৰা-কইনাক ঘৰৰ বাহিৰলৈ ওলাবলৈ সাধাৰণতে দিয়া নহয়।খোবা-খুবুনীৰ দিনা দৰা-কইনাক প্ৰথমে একেলগে পিঠা খুন্দিবলৈ দিয়া হয়। তেওঁলোকে আৰম্ভ কৰি দিয়াৰ পাছতহে আয়তীসকলে পিঠা খুন্দে। সেই পিঠাৰে মিঠৈ প্ৰস্তুত কৰি নামৰ শেষত মাহ- প্ৰসাদৰ সৈতে সকলোৱে খায়।ভকতসকলে নাম-গুণ গাই আৰু দৰা-কইনাৰ মুখ ভাঙিবলৈ জলকীয়া পুৰি বিভিন্ন ৰং-ৰহইচ কৰে। নামৰ শেষত মাহ-প্ৰসাদ, জা-জলপান আৰু পিঠা খাই সকলো ঘৰাঘৰি যায়।

### ৩.১৪ আঠমঙলা:-

বিয়াৰ আঠ দিনৰ পাছত দৰা-কইনাই লগত কেইটামান ল'ৰা-ছোৱালীক লৈ বা দূৰৰ হ'লে কেৱল দৰা-কইনাহালেই কইনাৰ ঘৰত আঠমঙলা খাবলৈ যায়। কইনাঘৰৰ ৰভা ভাঙি পেলালেও প্ৰথমে পুতা খুঁটাটো উভলা নহয়। আঠমঙলাৰ দিনা দৰা গৈহে সেই খুঁটা উভালিব লাগে।কইনাই হোমমৰ গুৰিত পিন্ধা পাটৰ সাঝযোৰকে আঠমঙলা খাবলৈ যাওতে পিন্ধি যোৱাৰ নিয়ম। সেইদিনা কইনাঘৰত মাছ-মঙহকে ধৰি আঠখন ব্যঞ্জনেৰে সকলোকে ভাত খুওৱা হয়। দৰা-কইনাই ঘৰৰ সকলোকে মান ধৰে।সেইদিনা কইনা মাকৰ ঘৰত ৰাতি থাকিব নাপায়। সেয়েহে গধূলি হোৱাৰ আগেয়ে দৰা ঘৰলৈ দুয়ো ঘূৰি যায়।

### ৩.১৫ দুনাই খাবলৈ অহা পৰ্ব:-

এই নিয়ম অনুসৰি কইনাই আঠমঙলা খাই যোৱাৰ কেইদিনমানৰ পাজতেই কইনাৰ ঘৰৰ মানুহ আহি দৰাঘৰৰ অনুমতি লৈ কইনাক মাকৰ ঘৰত দুদিনমান থাকিবলৈ লৈ আহে। তাৰপাছত দৰা আহি কইনাক মাকৰ ঘৰৰ পৰা নিজৰ ঘৰলৈ লৈ যায়।

এই পৰ্বৰ সমাপ্তিৰ পাছতেই কৈৱৰ্তসকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ আনুষ্ঠানিকতাৰ অন্ত পৰে। এনেদৰেই বিভিন্ন ৰীতি-নীতি তথা লোকাচাৰৰ মাজেৰে কৈৱৰ্ত সমাজত বিয়া এখন সম্পন্ন হয়।

# চতুৰ্থ অধ্যায়

**অধ্যয়নৰ শেষত প্ৰাপ্ত সিদ্ধান্ত:-**

১/ অসমীয়া সমাজৰ বিবাহ অনুষ্ঠান বুলিলে যিসমূহ লোকাচাৰৰ কথা আমাৰ মনলৈ আহে, কৈৱৰ্তসকলৰ মাজত প্ৰচলিত লোকাচাৰসমূহো বহু ক্ষেত্ৰত মিল থকা দেখা যায়।

২/ কৈৱৰ্ত সম্প্ৰদায়ৰ মাজত প্ৰচলিত লোকবিশ্বাসৰ ভেঁটিতেই এই লোকাচাৰসমূহৰ জন্ম হৈছে।

৩/ কৈৱৰ্তসকলে বিবাহ অনুষ্ঠান ঘাইকৈ এদিন, দুদিন বা কেতিয়াবা তিনিদিনীয়াকৈও অনুষ্ঠিত কৰা দেখা যায়।

৪/ কৈৱৰ্তসকলে বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহ পৰাম্পৰাগতভাৱে পালন কৰি আহিছে। তথাপি কালৰ সোঁতত দুই-এক ৰীতি-নীতিৰ সংযোগ-বিয়োগ ঘটিছে।

## ৫.০০ উপসংহাৰ:-

প্ৰত্যেক জাতি-জনগোষ্ঠীয়েই নিজস্ব সামাজিক ৰীতি-নীতিৰে পৰিপূৰ্ণ। কৈৱৰ্তসকলৰ সমাজ জীৱনো স্বকীয় ৰীতি-নীতিৰে সমৃদ্ধিশালী। কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলে পালন কৰা বিভিন্ন লোকাচাৰসমূহৰ ভিতৰত বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। একে সম্প্ৰদায়ৰ হ'লেও ঠাইভেদে কৈৱৰ্তসকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ বিভিন্নতা দেখা যায়। এই বিভিন্নতাই লোকসংস্কৃতিৰ সমল সমূহ যে সকলো ঠাইতে সকলো সমাজতে একে ৰূপত পোৱা নাযায়, তাকে সূচায়। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে পালন কৰা লোকাচাৰসমূহৰ মাজতো স্বকীয়তা পৰিলক্ষিত হয়। তেওঁলোকৰ ৰীতি-নীতিসমূহ পৰম্পৰাগতভাৱে চলি আহিছে যদিও কিছু কিছু ক্ষেত্ৰত বিজ্ঞানসন্মত হোৱা দেখা যায়। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত তেওঁলোকৰ মাজত প্ৰচলিত ৰীতি-নীতিৰ পৰিৱৰ্তন ঘটিছে যদিও স্বকীয়তা ম্লান হোৱা নাই। এই পৰিৱৰ্তনসমূহে বহু ক্ষেত্ৰত এই ৰীতি-নীতিসমূহক পৰিশীলিত আৰু পৰিমাৰ্জিত ৰূপ প্ৰদান কৰিছে।

**সহায়ক গ্ৰন্থপঞ্জী:-**


- ✓ বৰদলৈ, নিৰ্মলপ্ৰভা: অসমৰ লোকসংস্কৃতি,

  প্ৰথম প্ৰকাশ: ১৯৭২ প্ৰকাশক: চন্দন দে (এম.এচ.চি) বীণা লাইব্ৰেৰী, কলেজ হোষ্টেল ৰ'ড, পানবজাৰ, গুৱাহাটী
- ✓ ৰাভা, হাকাচাম, উপেন: বৰ অসমৰ বৰ্ণিল সংস্কৃতি,

  প্ৰকাশক: চন্দন দে
- ✓ ৰাভা, হাকাচাম, উপেন: বৰ অসমৰ বৰ্ণহিন্দু জাতি-জনগোষ্ঠী,

  প্ৰকাশক: ৰেখা প্ৰকাশন
- ✓ ৰাভা, হাকাচাম, উপেন, নাথ, প্ৰফুল্ল কুমাৰ (সম্পা): অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ,

  প্ৰকাশক: বনলতা


**তথ্যদাতাৰ তালিকা:-**

১/ শ্ৰীমতী উমেশ্বৰী দাস

লিংগ:- মহিলা

বয়স:- ৮০

বৃত্তি:- গৃহিণী

ঠিকনা:- ৪৪ নং শিলিখাবাৰী গ্ৰাণ্ট, তিতাবৰ

ডাক: ডেউঘৰীয়া

তথ্য গ্ৰহণৰ তাৰিখ: ১৫। ০৬। ২০২২

২/ শ্ৰীমতী হেমদা দাস

লিংগ:- মহিলা

বয়স:- ৭২

বৃত্তি:- গৃহিণী

ঠিকনা:- ৪৪ নং শিলিখাবাৰী গ্ৰাণ্ট, তিতাবৰ

ডাক:- ডেউঘৰীয়া

তথ্য গ্ৰহণৰ তাৰিখ:- ১৫। ০৬। ২০২২

৩/ শ্ৰীমতী ধনদা হাজৰিকা

লিংগ:- মহিলা

বয়স:- ৬৮

বৃত্তি:- গৃহিণী

ঠিকনা:- ৪৪ নং শিলিখাবাৰী গ্ৰাণ্ট, তিতাবৰ

ডাক:- ডেউঘৰীয়া

তথ্য গ্ৰহণৰ তাৰিখ:- ১৫। ০৬। ২০২২

৪/ শ্ৰীমতী দুৰ্গেশ্বৰী দাস

লিংগ:- মহিলা

বয়স:- ৬৫

বৃত্তি:- গৃহিণী

ঠিকনা:- ৪৪ নং শিলিখাবাৰী গ্ৰাণ্ট, তিতাবৰ

ডাক:- ডেউঘৰীয়া

তথ্য গ্ৰহণৰ তাৰিখ:- ১৮। ০৬। ২০২২

৫/ শ্ৰীমতী নীৰু দাস

লিংগ:- মহিলা

বয়স:- ৫৬

বৃত্তি:- গৃহিণী

ঠিকনা:- ৪৪ নং শিলিখাবাৰী গ্ৰাণ্ট, তিতাবৰ

ডাক:- ডেউঘৰীয়া

তথ্য গ্ৰহণৰ তাৰিখ:- ১৮। ০৬। ২০২২

৬/ শ্ৰীমতী সোনামাই দাস

লিংগ:- মহিলা

বয়স:- ৫০

বৃত্তি:- গৃহিণী

ঠিকনা:- ৪৪ নং শিলিখাবাৰী গ্ৰাণ্ট, তিতাবৰ

ডাক:- ডেউঘৰীয়া

তথ্য গ্ৰহণৰ তাৰিখ:- ২০। ০৬। ২০২২

# আলোকচিত্ৰ

## তোলনী বিয়া







# বৰ বিয়া














উৎস-ইন্টাৰনেট